জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০৮/২০২২**

**ডিব্ৰুগড়ত জলপথ সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# জলপথ পৰিবহনে উত্তৰ-পূৱত তৈয়াৰ কৰা সামগ্ৰীবোৰ প্ৰতিযোগিতামুখী আন্তঃৰাষ্ট্ৰীয় বজাৰত অধিক লাভজনক কৰি তুলিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰণালয়ৰ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত যোৱা ১১ এপ্ৰিলৰ পৰা অনুষ্ঠিত হোৱা দুদিনীয়া 'জলপথ সন্মিলন ২০২২'ত অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত এই সন্মিলন অনুষ্ঠিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। আঞ্চলিক যোগাযোগ বৃদ্ধিৰ দিশত ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত অৰ্থনৈতিক বিকাশৰ লগতে অঞ্চলটোৰ যুৱক-যুৱতীসকলৰো কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে জলপথ যোগাযোগৰ উন্নতি সাধনে অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু নিৰ্মাণ গোটৰ ল'জিষ্টিক ব্যয় হ্ৰাস কৰিব আৰু ইয়াৰ ফলত উত্তৰ-পূৱত তৈয়াৰ হোৱা সামগ্ৰীবোৰ প্ৰতিযোগিতামুখী আন্তঃৰাষ্ট্ৰীয় বজাৰত অধিক লাভজনক কৰি তুলিব।

প্ৰধানমন্ত্ৰীৰ পৰিবহনৰ জৰিয়তে পৰিবৰ্তনৰ মূলমন্ত্ৰক প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলটোত দীৰ্ঘদিন ধৰি অবহেলিত হৈ থকা জলপথে এক নতুন গতি লাভ কৰিছে আৰু সম্প্ৰতি ইয়াৰ সুফল লাভ কৰিবলৈ আৰম্ভ হৈছে। তেওঁ কয় যে শেহতীয়াভাবে পাটনাৰ পৰা ২০০ মেট্ৰিক টন খাদ্য শষ্য কঢ়িয়াই অনা প্ৰথমখন মালবাহী জাহাজ অহাৰ লগতে গংগা আৰু ব্ৰহ্মপুত্ৰৰ নদীৰ ওপৰেৰে ২৩৫০ কিলোমিটাৰ দূৰত্ব অতিক্ৰমী ভাৰত-বাংলাদেশ প্ৰট'কল পথৰ মাজেৰে ১৮০০ টা তীখা সামগ্ৰী কঢ়িওৱা জাহাজ হালদিয়াৰ পৰা পাণ্ডু বন্দৰলৈ আহিছে। তেওঁ কয় যে এয়া এক ঐতিহাসিক বিষয় আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ এক নতুন যাত্ৰা আৰম্ভ হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলটোৰ পৰিবহন সমস্যা  লাঘৱ কৰাৰ বাবে এই ভূখণ্ডক জলপথৰ যথেষ্ট সম্ভাৱনীয়তা আছে। আনহাতে একে সময়তে জল পৰিবহনৰ সময়ত প্ৰদূষণ কম হয় আৰু গোলকীয় উষ্ণতা হ্ৰাসৰ দিশত দেশৰ প্ৰতিশ্ৰুতিটো অৰিহণা যোগায়।

কেন্দ্ৰীয় পৰিবহন মন্ত্ৰী নিতীন গাডকাৰীয়ে ৰিমোট কনফাৰিন্সঙৰ জৰিয়তে প্ৰদান কৰা ভাষণত উত্তৰ-পূৱৰ অৰ্থনৈতিক বিকাশৰ বাবে প্ৰধানমন্ত্ৰীৰ থকা ব্যক্তিগত সদিচ্ছা আৰু কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপসমূহৰ সৰ্বশ্ৰেষ্ঠ ব্যৱহাৰ কৰিবলৈ সকলো অংশীদাৰকে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে সকলো অংশীদাৰকে বাংলাদেশৰ দৰে ওচৰ চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে জলপথ বাণিজ্যত জড়িত হৈ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশত অৰিহণা যোগাবলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰাজ কুমাৰ ৰঞ্জন, মণিপুৰৰ কেবিনেট মন্ত্ৰী আৱাংবো নিউমাই আৰু ভূটানৰ অৰ্থনৈতিক পৰিক্ৰমা মন্ত্ৰী লোকনাথ শৰ্মাইও ভাষণ প্ৰদান কৰে।

আনহাতে, কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী, কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী অশ্বিনী বৈষ্ণ, বাংলাদেশৰ জাহজ মন্ত্ৰী খালিদ মহম্মদ চৌধুৰীয়ে ভিডিঅ' কনফাৰেন্সিৰ জৰিয়তে অনুষ্ঠানত ভাষণ প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপৰিবহন বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শক্তি বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় তেৰচ গোৱালা, তৰংগ গগৈ আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে অহা ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে ডিব্ৰুগড়ত ৭ খন নতুন কৰ্কট হাস্পতালৰ উদ্বোধন আৰু ৭ খন নতুন কৰ্কট হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবে অনুষ্ঠিত হ'বলগীয়া স্থান পৰিদৰ্শন কৰে আৰু বিষয়াসকলক এই কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ দিশত সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

**অঃহাঃ / পুঃডেঃ**
**১২-০৪-২০২২**